# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 14-01-2026
**Time :** 18-00 Hrs

### ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। ব্যাপক উছাহ-উদ্দীপনাৰে ৰাজ্যত ভোগৰ উৎসৱ ভোগালী বিহু পালন।

২। ছিংগাপুৰত আজিৰে পৰা জুবিন গাৰ্গৰ ৰহস্যজনক মৃতুৰ শুনানি।

৩। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ পশ্চিম কাৰ্বি আংলঙত মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ। ***আৰু***

৪। মকৰ সংক্ৰান্তিৰ সৈতে সংগতি ৰাখি পালন কৰা চাহ জনগোষ্ঠীসকলৰ অন্যতম প্ৰধান উৎসৱ টুচু পূজাৰ আজি সামৰণি।

০০০০০

অসমীয়াৰ বাপতি সাহোন ভোগালী বিহু উপলক্ষে সমগ্ৰ ৰাজ্যতে ব্যাপক উছাহ-উদ্দীপনাৰ পৰিৱেশ বিৰাজ কৰিছে। আজি পুৱাই ৰাইজে মেজি জ্বলাই অগ্নিক সেৱা কৰি নেদেখাজনৰ আশিস লয়। ইয়াৰ পাছতে কনিষ্ঠজনে জ্যেষ্ঠজনক সেৱা জনাই আশীৰ্বাদ লয়। সম্প্ৰীতি আৰু সমন্বয়ৰ প্ৰতীক ভোগালী বিহুৰ মেজিৰ জুয়ে সমাজৰ পৰা অসূয়া-অপ্ৰীতি দূৰ কৰি শান্তি আৰু সম্প্ৰীতি কঢ়িয়াই অনাৰ বাবে ৰাইজে কামনা কৰে।

ভোগালী বিহু উপলক্ষে ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য্য, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাজ্যপালগৰাকীয়ে এটা বাৰ্তাত ভোগালী বিহুক অসমৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ অমূল্য সম্পদ বুলি উল্লেখ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ বাৰ্তাত কয় যে অসমীয়া সংস্কৃতিৰ শ্ৰেষ্ঠত্বক প্ৰতিফলিত কৰা এই উৎসৱ আনন্দ আৰু ভাতৃত্ববোধৰ উপলক্ষ। এই উৎসৱে কঠোৰ পৰিশ্ৰমী কৃষকসকলৰ প্ৰচেষ্টাৰ শলাগ লোৱাৰ সুযোগ দিয়ে বুলিও তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰী ডং শৰ্মাই সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ভোগালী বিহুক কৃষিজীৱী চহা সমাজৰ প্ৰাপ্তিৰ আনন্দৰে সমৃদ্ধ তথা অসমীয়াৰ স্পন্দন বুলি অভিহিত কৰে। তেওঁ লগতে সকলোৰে জীৱন সুখ-শান্তি আৰু প্ৰাচুৰ্যৰে ভৰি পৰাৰো কামনা কৰে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত উলহ-মালহেৰে ভোগালী বিহু উদযাপন কৰাৰ বাতৰি আমালৈ আহি আছে। মকৰ সংক্ৰান্তি আৰু ভোগালী বিহু উপলক্ষে ৰাজ্যৰ মঠ-মন্দিৰসমূহত ভক্তৰ ভিৰ পৰিলক্ষিত হয়। উত্তৰ গুৱাহাটীৰ ঐতিহাসিক দৌলগোবিন্দ মন্দিৰত পুৱাৰে পৰা বিভিন্ন প্ৰান্তৰ ভক্তই ভিৰ কৰে।

**নগাঁও** জিলাৰ নেহৰুবালিত আজিৰে পৰা ছদিনীয়া কাৰ্যসূচীৰে ১১৩ সংখ্যক ভোগালী বিহু উৎসৱৰ আয়োজন কৰা হৈছে। মেজি জ্বলোৱাৰ পাছত বিহুৰ সৈতে সংগতি ৰাখি গ্ৰন্থ উন্মোচন কৰা হয়। ইয়াৰ লগতে

জ্যেষ্ঠ নাগৰিকসকলক উদযাপন সমিতিয়ে সম্বৰ্ধনা জ্ঞাপন কৰে। এই ভোগালী বিহু উৎসৱত শিশুসকলৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতাৰ লগতে বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে।

**হোজাই** জিলাৰ বিভিন্ন স্থানত পৰম্পৰাগত ৰীতি-নীতিৰে ৰাইজে মেজি জ্বলাই নাম-প্ৰসংগৰ জৰিয়তে ভগৱানৰ আশিস লয়। গোসাঁইগাঁৱৰ ৰাইজে নাম-কীৰ্তনৰ অন্তত মেজি জ্বলাই অগ্নি সেৱা কৰে।

**কাৰ্বি আংলং** জিলাত ব্যাপক উছাহ-উদ্দীপনাৰে ভোগালী বিহু পালন কৰা হৈছে। জিলাখনৰ ডিফু ক্লাবত পুৱা মেজি জ্বলাই ৰাইজে সমূহীয়াভাৱে অগ্নি সেৱা কৰাৰ লগতে সমাজৰ পৰা অপায়-অমংগল দূৰ কৰি ভাতৃত্ববোধৰ এনাজৰী দৃঢ় কৰাৰ কামনা কৰে। ডিফু ক্লাবৰ উদ্যোগত প্ৰীতি চাহ মেলৰ আয়োজন কৰাৰ লগতে কণ কণ শিশুসকলৰ মাজত বিভিন্ন খেল-ধেমালি অনুষ্ঠিত হয়।

**ডিব্ৰুগড়** জিলাতো মাঘৰ সংক্ৰান্তি আৰু ভোগালী বিহু উপলক্ষে অগ্নি দেৱতাৰ পূজা অৰ্চনা কৰা হয়। গাঁৱৰ ৰাইজে মেজিত জুই পুৱাই মাহ-প্ৰসাদ খোৱাৰ লগতে ৰাজহুৱা সেৱা গ্ৰহণ কৰে। মন্ত্ৰী প্ৰশান্ত ফুকনে মানকাটা টেপৰ গাঁৱত ৰাইজৰ সৈতে মেজি জ্বলাই ৰাজ্যবাসীৰ কুশল কামনা কৰে। মন্ত্ৰী যোগেন মহনে মৰাণত আয়োজিত ভোগালী বিহু কাৰ্যসূচীত অংশ লৈ ৰাইজক বিহুৰ শুভেচ্ছা জনায়। জিলাখনৰ বিভিন্ন অঞ্চল নিশাতে ভোজভাত খোৱা হ'ল যদিও আজিও মটক জনগোষ্ঠীৰ প্ৰধান অঞ্চলসমূহত জনগোষ্ঠীটোৰ পৰম্পৰা অনুযায়ী ৰাজহুৱা ভোজৰ আয়োজন কৰা হৈছে।

ৰাজ্যৰ অন্য জিলাসমূহৰ দৰে **শিৱসাগৰ**তো পৰম্পৰাগতভাৱে মেজি জ্বলোৱা হয়। শিৱসাগৰৰ আৰক্ষী ছাউনীত কৰ্তব্যৰত আৰক্ষীসকলে মেজি জ্বলাই অগ্নি দেৱতাৰ আশিস লয়। লালিমগাঁৱত বিধায়ক অখিল গগৈয়ে ৰাইজৰ সৈতে ভোগালী বিহুৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

সত্ৰ পীঠ **মাজুলীত** আজি পুৱতি নিশা ৰাইজে মেজি জ্বলাই অগ্নি দেৱতাৰ সেৱা লয়। উজনি মাজুলীৰ চিৰাম দেৱোত্তৰ গাঁৱৰ মিছিং ৰাইজে চিৰাম দেৱোত্তৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত সমজুৱাকৈ আয়োজন কৰা ভোগালী বিহুস্থলীত উৰুকাৰ নিশা ভোজ ভাত খাই আজি পুৱাতে পৰম্পৰা ৰক্ষা কৰি নীতি-নিয়মৰ মাজেৰে মেজিত অগ্নি সংযোগ কৰে। দুটাকৈ মেজি সাজি পুৰুষ মেজিৰ ৰূপে প্ৰথমটো মেজি জ্বলাই অগ্নি দেৱতাৰ শলাগ লোৱা হয়। ইয়াৰ কিছু পাছতেই মহিলা মেজিটো জ্বলাই বছৰটোত একো অপায় অমংগল নহ'বলৈ পুনৰবাৰ অগ্নি দেৱতাৰ আশীৰ্বাদ লোৱা হয়। মাজুলীৰ ঐতিহাসিক শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰৰ উদাসীন ভকত বৈষ্ণৱসকলেও পৰম্পৰা ৰক্ষা কৰি মেজি জ্বলাই ভোগালী বিহু উদযাপন কৰিছে।

**বৰাক** উপত্যকাৰ তিনিওখন জিলাত আজি মকৰ সংক্ৰান্তি আৰু ভোগালী বিহু উপলক্ষে ব্যাপক উৎসাহ উদ্দীপনাই বিৰাজ কৰিছে। কাছাৰ জিলাত উৎসৱ মুখৰ পৰিৱেশৰ মাজত আজি পুৱা মেজি জ্বলাই অগ্নি দেৱতাৰ সেৱা লয়। জিলাবাসীয়ে ঘৰে ঘৰে প্ৰস্তুত কৰা পিঠা পনাৰে আজি মকৰ সংক্ৰান্তি আৰু ভোগালী বিহু উদযাপন কৰিছে। শ্ৰীভূমি জিলাৰ বৰগোল আৰু ঘিলাইজানসহ অসমীয়া অধ্যুষিত অঞ্চলসমূহত মেজি জ্বলাই মংগল কামনা কৰে।

ooooo

ছিংগাপুৰত আজিৰে পৰা জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ শুনানি অনুষ্ঠিত হৈছে। শুনানিৰ সময়ত উপকূলৰক্ষী আৰক্ষীৰ সহকাৰী পৰিদৰ্শক ডেভিড লীমে কয়, যে জুবিন গাৰ্গৰ পানীত ডুবি মৃত্যু হৈছিল আৰু

পানীত নমাৰ পূৰ্বে শিল্পীগৰাকীয়ে লাইফ জেকেট পৰিধান কৰিবলৈ অস্বীকাৰ কৰিছিল। তেওঁ লগতে সাগৰত সাঁতোৰাৰ পূৰ্বে য়টত সুৰাৰ পাৰ্টী হোৱা বুলি ন্যায়ালয়ক অৱগত কৰে। মৃত্যুৰ সময়ত জুবিন গাৰ্গ সুৰাসক্ত আছিল বুলি আৰক্ষী বিষয়াগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে জুবিন গাৰ্গৰ শৰীৰত অত্যাধিক মাত্ৰাত সুৰাৰ পৰিমাণ পোৱা বুলি জানিবলৈ দিয়ে। আৰক্ষীয়ে য়টত থকা সাক্ষীৰ কেতবোৰ ভিডিঅ' আদালতত দাখিল কৰে।

ooooo

৫ ফেব্ৰুৱাৰীৰ ভিতৰত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ অধীনত ১০ হাজাৰ টকাকৈ প্ৰাৰম্ভিক মূলধন বিতৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। ডিফুত ২৫ হাজাৰ মহিলাৰ মাজত মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যৰ আত্মসহায়ক গোটৰ মুঠ ৩২ লাখ মহিলাই আঁচনিখনৰ ধন লাভ কৰিব। তেওঁ কয় যে প্ৰাৰম্ভিক ধনৰাশি সঠিকভাৱে ব্যৱহাৰ কৰা মহিলা সকলে পৰৱৰ্তী পৰ্যায়ত ক্ৰমে ২৫ আৰু ৫০ হাজাৰ টকাকৈ লাভ কৰিব।

মুখ্যমন্ত্ৰীয়ে ইয়াৰ পূৰ্বে পশ্চিম কাৰ্বি আংলঙৰ বৈঠালাংচ'ৰ আমৰি বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ অনুষ্ঠানত অংশ গ্ৰহণ কৰে। অনুষ্ঠানত সমষ্টিটোৰ প্ৰায় ১৪ হাজাৰ মহিলাক উদ্যমিতা পুঁজিৰূপে ১০ হাজাৰকৈ টকা আগবঢ়োৱা হয়। কাৰ্বি স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং তথা ডিফু লোকসভা সমষ্টিৰ সাংসদ অমৰছিং টিছো অনুষ্ঠানত উপস্থিত থাকে।

ooooo

মকৰ সংক্ৰান্তিৰ সৈতে সংগতি ৰাখি পালন কৰা চাহ জনগোষ্ঠীসকলৰ অন্যতম প্ৰধান উৎসৱ টুচু পূজাৰ আজি সামৰণি পৰে। পুহ মাহত আৰম্ভ হোৱা বাবে এই উৎসৱক পৌষ পৰব বুলিও জনা যায়।

**মিউজিক (পৌষ পৰব)**

শস্যৰ দেৱী টুচুৰ আৰাধনাৰে ডিব্ৰুগড় জিলাৰ চাহ জনগোষ্ঠীৰ লোকসকলে আজি টুচু পূজা পালন কৰে। যোৰহাট জিলাৰ চেনিমৰা, সৰুচৰাই, দকলঙীয়াৰ দৰে বাগানসমূহতো উলহ-মালহেৰে এই পূজা অনুষ্ঠিত কৰা হয়। উল্লেখযোগ্য যে, কোনো ক্ষেত্ৰত শিৱৰ জীয়েক, মনসাৰ ভনীয়েক, কালী, দুৰ্গা, সীতাৰ দৰে শক্তিৰ ৰূপত কল্পনা কৰা টুচু পূজাত প্ৰধানত মহিলাসকলে অংশগ্ৰহণ কৰে। অৱশ্যে পূজাৰ লগত সংগতি থকা ৰং ৰহইচত পুৰুষেও অংশগ্ৰহণ কৰিব পাৰে। এই পূজা দুভাগত, ঘৰ আৰু নদীৰ পাৰত অনুষ্ঠিত কৰা হয়। পুহ মাহৰ পৰা চাহ জনগোষ্ঠীৰ গাভৰুসকলে একগোট হৈ টুচু মাতৃৰ অৰ্চনা কৰে। পুহৰ শেষৰ ৰাতিটোত অৰ্থাৎ আজিৰ দিনটোত গাভৰুসকলৰ লগতে ডেকাসকলেও ওৰে নিশা উজাগৰে থাকি টুচু গীত গায়। ৰাতিপুৱাৰ লগে লগে টুচু দেৱীৰ মূৰ্তি গাঁৱৰ প্ৰতিঘৰত দৰ্শন কৰাই নদীৰ ঘাটলৈ লৈ যোৱা হয়। নৈৰ ঘাটত বিভিন্ন ঠাইৰ পৰা টুচুৰ গোট খাই গীতৰ প্ৰতিযোগিতা আয়োজন কৰা হয়। শেষত টুচু দেৱীক জলদেৱতাক সাক্ষী কৰি বিসৰ্জন দিয়া হয়।

ooooo

মণিপুৰ আৰক্ষীয়ে কালি ইম্ফল পশ্চিম জিলাৰ বিভিন্ন ঠাইত অভিযান চলাই নিষিদ্ধ কে ৱাই কে এল সংগঠনৰ ৩ জন সদস্যক গ্ৰেপ্তাৰ কৰে। ধৃত সদস্যকেইজন কেথেলকাপাম তেলহেইবা মাংগাং ওৰফে থোইবা, কঠৌজাম গুদ্দি মেইটেই ওৰফে ফিৰেপা আৰু লাইশ্ৰম ইচান দেৱী ওৰফে সংগীতা বুলি চিনাক্ত কৰা হৈছে।

সদস্যকেইজন সংগঠনটোৰ কাম-কাজত সক্ৰিয়ভাৱে জড়িত হৈ আছে। ধৃত উগ্ৰপন্থী কেইজনৰ পৰা ৩ টা মোবাইল ফোন, ৪ খন চিম, নগদ ৬ হাজাৰ টকা আৰু এখন য়মাহা মটৰ চাইকেল উদ্ধাৰ কৰে। প্ৰাৰম্ভিক তদন্তত প্ৰকাশ পোৱা মতে, উগ্ৰপন্থীকেইজন নতুন সদস্য নিযুক্তি, ধন দাবী আৰু উপত্যকা জিলাসমূহত সংগঠনটোৰ ৰচদ পাতি যোগানৰ কামত জড়িত আছিল। আৰক্ষীয়ে বিষয়টোৰ তদন্ত অব্যাহত ৰাখিছে।

ooooo

অহা ১৭ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত গুৱাহাটীৰ সৰু সজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত বাগুৰুম্বা নৃত্য পৰিবেশন কৰা হ'ব। **বাগুৰুম্বা দ'হৌ-২০২৬** শীৰ্ষক এই পৰিৱেশনে বিহু আৰু ঝুমইৰ বিনন্দিনীৰ পাছত বড়োসকলৰ বাগৰুম্বা নৃত্যক বিশ্ব দৰবাৰত তুলি ধৰিব বুলি ৰাজ্য চৰকাৰে আশা প্ৰকাশ কৰিছে। ৮ হাজাৰৰো অধিক শিল্পীয়ে এই লোকনৃত্য পৰিবেশনত অংশগ্ৰহণ কৰিব। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠানৰ অনুশীলন কাৰ্যসূচী পূৰ্ণগতিত চলি আছে। বাগৰুম্বা নৃত্য শিল্পীসকলে অংশগ্ৰহণ কৰিছে। উল্লেখযোগ্য যে, এই অনুষ্ঠান উপভোগ কৰিবলৈ আগ্ৰহীসকলে নিজৰ এখন বৈধ পৰিচয়পত্ৰ জমা দি অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্প, পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ অথবা আমবাৰীৰ ৰবীন্দ্ৰ ভৱনৰ সাংস্কৃতিক সঞ্চালকালয়ৰ কাৰ্যালয়ৰ পৰা প্ৰৱেশ পত্ৰ সংগ্ৰহ কৰিব পাৰিব।

ooooo

যোৰহাট জিলাৰ টিয়কৰ হাঁহচৰা দিহিঙীয়া গাঁৱত আজি পুৱতি নিশা সংঘটিত পথ দুৰ্ঘটনাত দুজন লোক নিহত আৰু ৪ জন গুৰুতৰভাবে আহত হয়। নিহত যুৱক দুজন অভিজিৎ ফুকন আৰু অমৃত গগৈ বুলি জানিব পৰা গৈছে। প্ৰাপ্ত বাতৰি মতে, নিশা উৰুকাৰ বোজ ভাত খাই পুৱা পথৰ কাষত গাহৰী বিক্ৰী কৰিবলৈ ঠাই চাফা কৰি থকা অৱস্থাত এখন স্কোৰপিঅ'ই এই লোককেইজনক মহতিয়াই নিয়ে। দুৰ্ঘটনাটোত গুৰুতৰভাৱে আহত ৪ জন লোকৰ ভিতৰত এজনৰ অৱস্থা সংকটজনক আৰু লোকজনক উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়লৈ প্ৰেৰণ কৰা হৈছে।

ooooo

সমাপ্ত